# অসম আদিত্য

মাঘ, ১৯৪৭ শক ■ দেওবাৰ, ৮ ফেব্ৰুৱাৰী, ২০২৬ ■ Asom Aditya, Dibrugarh, Sunday, February 8, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটি


## ...্যক অম্বৰীশ বৈশ্যৰ মৃত্যু

...ৱাৰী ঃ টিহুৰ ওচৰৰ ...ও নিবাসী, অৱসৰপ্ৰাপ্ত ...ৱী জিলা সাহিত্য সভাৰ ...া সম্পাদক আৰু উপ- ...হিত্যিক, অনাতাঁৰ আৰু ...ল্পী, শ্ৰীমন্ত শংকৰদেৱ ...ৃ সেৱক অম্বৰীশ কুমাৰ ...া গুৱাহাটী চিকিৎসা ... আৰু চিকিৎসালয়ত ... ১৯৮১ চনত তেওঁ ...লন বালিকা ৮ পৃষ্ঠাত

## ...ক ভূপেন ...ৰ পৰলোক

...হা, ৭ ফেব্ৰুৱাৰী ঃ বহা ...

কানৈ মহাবিদ্যালয়ত বিহাৰৰ লোকসভা সাংসদ ৰাজেশ বাৰ্মা

## সাফল্যৰ বাবে একাগ্ৰতা-নিয়মানুৱৰ্তিতাৰ প্ৰয়োজন




ষ্টাফ ৰিপৰ্টাৰ, ৭ ফেব্ৰুৱাৰী ঃ জীৱনত সফল হ'বলৈ হ'লে একাগ্ৰতা আৰু নিয়মানুৱৰ্তিতা অতি প্ৰয়োজন। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ কম্পিউটাৰ বিজ্ঞান বিভাগ আৰু ৰুক্মিণী দেৱী কানৈ ছাত্ৰী নিৱাসৰ উদ্যোগত অনুষ্ঠিত মত-বিনিময় তথা অন্তৰংগ আলাপ অনুষ্ঠানত অংশগ্ৰহণ কৰি বিহাৰ লোকসভাৰ সাংসদ ৰাজেশ বাৰ্মাই আজি এইদৰে কয়। বাৰ্মাই কয়— কেৱল চাকৰি এটা পাই জীৱনটোক কোনোমতে আগুৱাই নিয়াটোৱে জীৱনটোক সফল তথা নিজৰ প্ৰকৃত লক্ষ্যত উপনীত হোৱাতো নুবুজায়। ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি তেওঁ কয়— জীৱনত প্ৰকৃত লক্ষ্যত উপনীত হ'বলৈ হ'লে, সফল হ'বলৈ হ'লে ৮ পৃষ্ঠাত

## আধাৰশিলাৰ ব্ৰহ্মপুত্ৰ সাহিত্য


## অসম...

অসম আদিত্য, ডিব্ৰুগড় ...




৮ ফেব্ৰুৱাৰীৰ দেশজোৰা ধৰ্মঘট...

## সমষ্টি শুদ্ধি...

৪ পৃষ্ঠাত

১০ পৃষ্ঠাত

# অসম আদিত্য

৫ মাঘ, ১৯৪৭ শক ■ দেওবাৰ, ৮ ফেব্ৰুৱাৰী, ২০২৬ ■ Asom Aditya, Dibrugarh, Sunday, February 8, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

শ্ৰীমন্ত শংকৰদে...

অস...

পাৰিবে...



...কৈ মুছলমান জনব...

## সাফল্যৰ বাবে একাগ্ৰতা

প্ৰথমে আৰামদায়ক কক্ষৰ পৰা ওলাই আহিব লাগিব। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক দিনটোৰ ব্যস্ততা পূৰ্ণ সময়ৰ মাজতে মাত্ৰ দহ মিনিট সময় আধ্যাত্মিকতাৰ চৰ্চা কৰিবলৈ আহ্বান জনায়। ছাত্ৰী নিভা লাহনে আঁত ধৰা অনুষ্ঠানটিতবাৰ্মাই কয়— জীৱনত আমি সকলো পোৱাৰ পিছতো যদি আমি একো নাই পোৱা বুলি অনুভৱ কৰোঁ তেন্তে বুজিব লাগিব আমি আমাৰ জীৱনৰ ইতিবাচক দিশটোক দেখি পোৱা নাই। মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলীয়ে মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল সোণালী ইতিহাস বৰ্ণনা কৰা অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে কানে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষগৰাকীয়ে বিহাৰ লোকসভাৰ সাংসদ ৰাজেশ বাৰ্মাই আহি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত এনে এটি সুন্দৰ মত-বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। লগতে অধ্যক্ষগৰাকীয়ে ৮০ বছৰ গৰকা মহাবিদ্যালয়খনে শৈক্ষিক, আন্তঃগাঁথনি, প্ৰশাসনিক দিশৰ লগতে তথ্য প্ৰযুক্তিৰ দিশত ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ত মহাবিদ্যালয়খনে লাভ কৰা বিভিন্ন সফলতা, সন্মান, বঁটা আদিৰ বিষয়েও অৱগত কৰে। অধ্যক্ষগৰাকীয়ে মহাবিদ্যালয়খনত প্ৰশাসনীয় দিশত কাগজবিহীনভাৱে পৰিচালনা কৰা, চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলৰ বাবে 'কৰ্মবন্ধু' এপ ব্যৱহাৰ কৰাৰ লগতে ছাত্ৰ একতা সভাৰ নিৰ্বাচন অনলাইন মাধ্যমত অনুষ্ঠিত কৰা আৰু ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণীকোঠাৰ উপস্থিতি অনলাইন মাধ্যমত পৃথিৱীৰ ভিতৰতে প্ৰথম তথা বাটকটীয়া বুলি অৱগত কৰে। মহাবিদ্যালয়খন দৈনিক পুৱা ৪.৩০ বজাতে জীপাল হৈ পৰা কথাবিলাকো তেওঁ অৱগত কৰে। মহাবিদ্যালয়খনে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত চাৰিবাৰকৈ শ্ৰেষ্ঠ শৃংখলাবদ্ধ বঁটা, শ্ৰেষ্ঠ পৰিষ্কাৰ মহাবিদ্যালয়ৰ সন্মান লাভ কৰাৰ কথাও অৱগত কৰে। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা চৰকাৰৰ তৰফৰ পৰা লাভ কৰা স্বচ্ছতা বঁটা সম্পৰ্কেও তেওঁ কয়। মহাবিদ্যালয়খনত সৌৰশক্তিৰ ব্যৱহাৰ, ৮০ শতাংশ শ্ৰেণীকোঠাত এয়াৰ কণ্ডিশ্যনৰ সুবিধা থকাৰ লগতে পৃথিৱীৰ উন্নত বিশ্ববিদ্যালয়সমূহত শ্ৰেণীকোঠাত ব্যৱহাৰ কৰা কৃত্ৰিম বুদ্ধিমত্তা সংযোজিত স্মাৰ্ট এণ্ড ডিজিটেল ব'ৰ্ডৰ অন্য এক নতুন ব্যৱহাৰৰ কথাও অৱগত কৰে। ছাত্ৰী চয়নিকা বুঢ়াগোহাঁইয়ে কবিতা আবৃত্তি কৰা অনুষ্ঠানটিত সাংসদ বাৰ্মাই বহুকেইগৰাকী ছাত্ৰ-ছাত্ৰীৰ বহু মূল্যবান প্ৰশ্নৰ বিষদ বিৱৰি উত্তৰ দিয়ে। অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী অমিত কেডিয়া, সমাজকৰ্মী আহমেদ আলি আয়ুবি, সমাজকৰ্মী সঞ্জয় আগৰৱালা, কানে মহাবিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতিপ্ৰসাদ ফুকন, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে মহাবিদ্যালয়ৰ মুখ্যদ্বাৰৰ পৰা আবৃত্তি কৰি গায়ন-বায়ন, এন চি চি কেডেট আৰু বিহু নৃত্যৰে উষ্ম আদৰণি জনাই সভাগৃহলৈ অনা অনুষ্ঠানটিত সাংসদ বাৰ্মাক এখনি ফুলাম গামোচা, চেলেং চাদৰ, সম্বৰ্ধনা-পত্ৰ, কিতাপৰ টোপোলা আৰু অনুষ্ঠানৰ স্মৃতি বিজড়িত এখনি স্থিৰ চিত্ৰৰে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰা হয়। শেষত শলাগ জ্ঞাপন কৰে ছাত্ৰী নিভা লাহনে।

আধাৰশিলাৰ ...

ৰাষ্ট্ৰীয় সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। এনে জনগোষ্ঠীক লৈ দায়িত্বহীন আৰু অপমানসূচক মন্তব্য কোনোপধ্যেই গ্ৰহণযোগ্য নহয়। চমৰাজ পুৰিয়ে লগতে কয় যে কংগ্ৰেছ মুখপাত্ৰ চাইজুদ্দিন আহমেদে অনতিপলমে ৰাজহুৱাকৈ খিলঞ্জীয়া গোৰ্খা জনগোষ্ঠীৰ ওচৰত নিঃচৰ্ত ক্ষমা নুখুজিলে ইয়াৰ ভয়াৱহ ৰাজনৈতিক পৰিণতি ভুগিব লাগিব। তেওঁ স্পষ্টভাৱে হুংকাৰ দিয়ে যে আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচন পূৰ্বে কংগ্ৰেছ দলৰ সৈতে জড়িত থকা গোৰ্খা জনগোষ্ঠীৰ সকলো কৰ্মকৰ্তাই একেলগে কংগ্ৰেছ দল ত্যাগ কৰিব। ইয়াৰ লগতে ধেমাজি জিলা গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতিজনে ঘোষণা কৰে যে সংশ্লিষ্ট কংগ্ৰেছ নেতাই নিজৰ মন্তব্য প্ৰত্যাহাৰ নকৰিলে গোৰ্খা জনগোষ্ঠীয়ে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত সম্পূৰ্ণকৈ কংগ্ৰেছ দল বৰ্জন কৰাৰো সিদ্ধান্ত ল'ব পাৰে। এই ঘোষণা ৰাজনৈতিক মহলত বিশেষ চৰ্চাৰ সৃষ্টি কৰিছে। উল্লেখ্য যে খিলঞ্জীয়া গোৰ্খা জনগোষ্ঠীয়ে অসমৰ ভূমি, ভাষা আৰু সংস্কৃতিৰ সুৰক্ষাৰ ক্ষেত্ৰত ঐতিহাসিকভাৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এনে অৱস্থাত এটা দায়িত্বশীল ৰাজনৈতিক দলৰ মুখপাত্ৰৰ পৰা অহা মন্তব্যই সমাজত বিভাজন আৰু অবিশ্বাসৰ বাতাৱৰণ সৃষ্টি কৰিছে বুলি বহুতে মন্তব্য কৰিছে। বৰ্তমান এই বিতৰ্কই অসমত ৰাজনৈতিক উত্তেজনা বৃদ্ধি কৰাৰ লগতে কংগ্ৰেছ দলৰ বাবে আগন্তুক নিৰ্বাচনৰ পূৰ্বে এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান হিচাপে পৰিগণিত হৈছে। এতিয়া সকলোৰে দৃষ্টি কংগ্ৰেছ নেতৃত্বৰ পৰৱৰ্তী স্থিতিৰ ওপৰত নিবদ্ধ হৈ আছে দলটোৱে ক্ষমা প্ৰাৰ্থনা কৰি পৰিস্থিতি সমাধান কৰি ল'ব নে গোৰ্খা জনগোষ্ঠীৰ ক্ষোভে ৰাজনৈতিক ৰূপ ল'ব, সেয়া সময়েই ক'ব।

## দলক প্ৰতাৰণা কৰিও দুৰ্লভক

সমষ্টিটোত সাংগঠনিক দিশ শক্তিশালী কৰাৰ বাবে তৎপৰতা অব্যাহত ৰখাৰ লগতে সকলো শ্ৰেণীৰ লোকৰ সৈতে সুসম্পৰ্ক বজাই ৰাখিছে। প্ৰায় সকলোৱেই ভাৱিছিল এইবাৰ সমষ্টিটোত কংগ্ৰেছৰ পৰা মৃণাল হাজৰিকাই প্ৰাৰ্থিত্ব পাব। কিন্তু শেহতীয়াকৈ প্ৰাক্তন বিধায়ক ডাঃ দুৰ্লভ চমুৱাই ২৮ জানুৱাৰীত প্ৰাৰ্থিত্ব বিচাৰি আবেদন জনোৱাত সমষ্টিটোৰ কংগ্ৰেছৰ নিৰ্বাচনী ৰাজনীতিয়ে নতুন মোৰ লৈছে। উল্লেখ যে ২০২১ৰ বিধানসভাৰ নিৰ্বাচনত নগাঁও সদৰ সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত হৈছিল কংগ্ৰেছৰ প্ৰাক্তন বিধায়ক ডাঃ দুৰ্লভ চমুৱা। ইয়াতে ক্ষুণ্ণ হৈ ডাঃ চমুৱা নিৰ্বাচনৰ সময়ৰ পৰা দলীয় কাম-কাজত সক্ৰিয় হৈ থকা নাছিল। আনকি তেওঁৰ একাংশ কংগ্ৰেছ সমৰ্থকে বিজেপিত যোগদান কৰিছিল। এতিয়া ডাঃ চমুৱা পুনৰ সক্ৰিয় হৈ পৰাত নগাঁৱৰ কংগ্ৰেছী ৰাজনীতিক লৈ ব্যাপক চৰ্চা হৈছে। কালি নগাঁৱত অসম প্ৰদেশ কংগ্ৰেছে উলিওৱা 'সময় পৰিৱৰ্তন যাত্ৰা'ৰ সময়ত নগাঁও-বটদ্ৰৱা সমষ্টিৰ দুই কংগ্ৰেছ প্ৰাৰ্থী মৃণাল হাজৰিকা আৰু ডাঃ দুৰ্লভ চমুৱাক শক্তি প্ৰদৰ্শন কৰা পৰিলক্ষিত হয়। অৱশ্যে দুই প্ৰাৰ্থিত্ব প্ৰয়াসী সমৰ্থকৰ মাজত কোনো সংঘাত নহ'লেও ভিতৰি ভিতৰি মতানৈক্য অব্যাহত আছে। দুয়োজন প্ৰাৰ্থিত্ব প্ৰত্যাশীয়ে সংবাদ মাধ্যমৰ আগত দিয়া ভাষ্যই বিশেষ তাৎপৰ্য বহন কৰিছে। কংগ্ৰেছ দলৰ লগত পাঁচ বছৰে সক্ৰিয় হৈ নথকা প্ৰাক্তন বিধায়ক ডাঃ চমুৱাই কয় যে কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বৰ লগত যোগাযোগত আছিল। কংগ্ৰেছৰ ... নগাঁৱলৈ আহিলে তেওঁৰ লগত যোগাযোগ কৰে বুলি মন্তব্য ...